NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-10-2024
**Time :** 1340 hrs

*Assamese Midday Bulletin*
*Headlines*

০০০০০০০০০

১। উচ্চতম ন্যায়ালয়ে আজি অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল থাকিব বুলি ৰায়দান কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ত্ৰিদেশীয় ভ্ৰমণসূচীৰ তৃতীয় তথা অন্তিম পৰ্যায়ত আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে মলাৱিত উপস্থিত হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাষা, সাহিত্য, শিল্প, আধ্যাত্মিকতা আদিয়ে এটা জাতিৰ সাংস্কৃতিক পৰিচয়ৰ গঢ় দিয়ে। নতুন দিল্লীত আন্তঃৰাষ্ট্ৰীয় অভিধম্মা দিৱস কাৰ্যসূচীত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়।

৪। আজি কাতি বিহু। পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি আৰু আকাশবন্তি জ্বলাই অসমৰ কৃষিজীৱী ৰাইজে সেৱা জনাব।

*আৰু*

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম ইনিংছত ভাৰতে আটাইকেইটা উইকেট হেৰুৱাই ৪৬ ৰাণ সংগ্ৰহ কৰে।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল থাকিব বুলি ৰায়দান কৰে। নাগৰিকত্ব আইনৰ ৬(ক) নম্বৰ দফা অনুসৰি সৰ্বোচ্চ ন্যায়ালয়খনে এই ৰায় প্ৰদান কৰে। অসম সন্মিলিত মহাসংঘৰ আবেদনৰ ভিত্তিত শুনানি গ্ৰহণ কৰিছিল। মুখ্য ন্যায়াধীশ, ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত পাঁচজনীয়া বিচাৰপীঠে আজি এই ৰায়দান কৰে। মুখ্য ন্যায়াধীশগৰাকীয়ে এই সন্দৰ্ভত কয় যে অসম চুক্তি ৰাজ্যখনলৈ বিদেশী নাগৰিকৰ অবৈধ প্ৰব্ৰজনৰ এটা ৰাজনৈতিক সমাধান আছিল। উল্লেখযোগ্য যে বিচাৰপীঠখনৰ চাৰিগৰাকী ন্যায়াধীশে ইয়াৰ সপক্ষে ৰায়দান কৰাৰ বিপৰীতে এগৰাকী ন্যায়াধীশে বিৰুদ্ধে মত পোষণ কৰে। এই সন্দৰ্ভত নতুন দিল্লীৰ পৰা সাংবাদিক সিদ্ধাৰ্থ ভট্টই এইদৰে কয়-

বাইট

আনহাতে, গোচৰটোৰ ৰায়দান সন্দৰ্ভত গোচৰৰ আবেদনকাৰী অসম সন্মিলিত মহাসংঘৰ শীৰ্ষ নেতা মতিউৰ ৰহমানে আজি বিয়লি ৩ বজাত শিৱসাগৰ জিলাৰ শিমলুগুৰিত এখন সংবাদ মেলৰ আয়োজন কৰিছে। এই বিষয়ে এয়া আকাশবাণীৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীৰ প্ৰতিবেদন-

# বাইট

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ত্ৰিদেশীয় ভ্ৰমণসূচীৰ তৃতীয় তথা অন্তিম পৰ্যায়ত আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে মলাৱিত উপস্থিত হৈছে। দেশখন ভ্ৰমণলৈ যোৱা ভাৰতৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক আড়ম্বৰপূৰ্ণভাৱে আদৰণি জনোৱা হয়। এই ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকী মলাৱিৰ নেতৃবৰ্গৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব আৰু দেশখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলকো সাক্ষাৎ কৰিব। আফ্ৰিকাৰ বিভিন্ন দেশৰ সৈতে ভাৰতৰ সম্পৰ্কৰ সম্প্ৰসাৰণ আৰু সুদৃঢ়কৰণেই হ'ল তেওঁৰ এই যাত্ৰাৰ মূল উদ্দেশ্য।

ইয়াৰ পূৰ্বে নিজৰ ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু কালি ম'ৰিটানিয়াৰ ৰাষ্ট্ৰপতি মহম্মদ আউল্দ গজৌৱানীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। তেওঁ লগতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাতো ভাগ লয়। দুয়োখন দেশে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে চাৰিখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাষা, সাহিত্য, শিল্প, আধ্যাত্মিকতা আদিয়ে এটা জাতিৰ সাংস্কৃতিক পৰিচয়ৰ গঢ় দিয়ে। নতুন দিল্লীত আন্তঃৰাষ্ট্ৰীয় অভিধন্মা দিৱস কাৰ্যসূচীত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়। ভগৱান বুদ্ধৰ শিক্ষালৈ আঙুলিয়াই তেওঁ কয় যে ভাৰতে অমৃত কাল নামেৰে পৰিচিত এটা পৰিৱৰ্তনশীল যাত্ৰাত নামিছে, যিটো যাত্ৰা ২০৪৭ চনত শিখৰত উপনীত হ'ব। তেওঁ কয় যে ভগৱান বুদ্ধৰ প্ৰজ্ঞাৰ দ্বাৰা পৰিচালিত হৈ দেশে অভুতপূৰ্ব আৰু ইতিবাচক পৰিৱৰ্তন আনিবলৈ সমৰ্থ হ'ব। তেওঁ কয় যে বুদ্ধৰ কালজয়ী শিক্ষা অনুসৰণ কৰি দেশে উন্নতিৰ দিশত নতুন পথৰ সূচনা কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ যুৱক-যুৱতীসকলক বিজ্ঞান প্ৰযুক্তিৰ ক্ষেত্ৰত বিশ্বক আগুৱাই নিয়াৰ সমান্তৰালকৈ নিজৰ সংস্কৃতি আৰু মূল্যবোধক লৈ গৌৰৱ কৰিবলৈও আহ্বান জনায়। পালি ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যদা প্ৰদানৰ চৰকাৰে লোৱা সিদ্ধান্ত সন্দৰ্ভত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ভাষা কেৱল কথা-বতৰাৰ মাধ্যম নহয়, ই সভ্যতা আৰু সংস্কৃতিৰো ভেটি। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে পালি ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিছে আৰু ই এইবাৰ অভিধন্মা দিৱস উদযাপনক ঐতিহাসিক কৰি তুলিছে। তেওঁ কয় যে পালি ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াটো ভগৱান বুদ্ধৰ মহান ঐতিহ্যৰ প্ৰতি সন্মান।

দেশৰ চহকী ঐতিহ্য আৰু সংস্কৃতি সংৰক্ষণৰ বাবে চৰকাৰে চলাই থকা প্ৰচেষ্টাৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে বিশ্বৰ বিভিন্ন দেশৰ ৬০০টা প্ৰাচীন সামগ্ৰী আৰু ধ্বংসাৱশেষ দেশলৈ ঘূৰাই অনা হৈছে। আজিৰ অনুষ্ঠানৰ সৈতে সংগতি ৰাখি শ্ৰীমোদীয়ে কয় যে ধন্মা মানে বুদ্ধৰ বাৰ্তা, বুদ্ধৰ নীতি আৰু মানৱ অস্তিত্বৰ সৈতে জড়িত প্ৰশ্নৰ সমাধান। অভিধন্মা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰীয়ে ভগৱান বুদ্ধৰ অনুগামীসকলৰ লগতে দেশবাসীলৈ  শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০০০

আজি কাতি বিহু। পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি আৰু আকাশবন্তি জ্বলাই অসমৰ কৃষিজীৱী ৰাইজে সেৱা জনাব। আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি কৃষকসকলে শস্য শ্যামলা পথাৰৰ আশাৰে প্ৰাৰ্থনা জনায়। ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাতি বিহু পালনৰ প্ৰস্তুতি চলিছে। কাতি বিহু

উপলক্ষে তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে ভঁৰালঘৰ, গোহালি, পদূলি আদিত চাকি বন্তি জ্বলাই কৃষিজীৱী ৰাইজে মংগল কামনা কৰিব। ৰাজ্য চৰকাৰৰ নিৰ্দেশমৰ্মে আজি কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ সম-জিলা আৰু মহকুমাসমূহত কাতি বিহু পালন কৰা হৈছে। ইয়াৰ লগতে বিভাগীয় আঁচনিসমূহৰ বিষয়ে সজাগতা বৃদ্ধিৰ উদ্দেশে সজাগতা সভাৰো আয়োজন কৰা হৈছে। তদুপৰি কৃষি বিভাগে তুলসী তলত বন্তি প্ৰজ্বলন আৰু শৰাই দিয়াৰ লগতে পথাৰত আকাশবন্তি প্ৰজ্বলনৰ কাৰ্যসূচীও গ্ৰহণ কৰিছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। একেদৰে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও কাতি বিহু উপলক্ষে শস্যশ্যামলা পথাৰত কৃষকৰ সপোন উজলি উঠাৰ আশাৰে ৰাজ্যবাসীক ওলগ জনাইছে।

ৰাজ্যৰ আন বিভিন্ন স্থানৰ লগতে বৰপেটা, মৰিগাঁও, দৰং, শিৱসাগৰ, গোলাঘাট, মাজুলী আদি জিলাতো আজি কাতি বিহু পালন কৰিবলৈ লোৱা হৈছে বুলি আকাশবাণীৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

oooooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম দিনৰ খেল কালি বৰষুণৰ বাবে  বাতিল হোৱাৰ পাছত আজি দ্বিতীয় দিনা খেল আৰম্ভ কৰি ভাৰতীয় দলটো বিপৰ্যয়ৰ সন্মুখীন হৈছে। বাংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি প্ৰথমে বেটিং কৰিবলৈ লৈ ভাৰতে মাত্ৰ ৪৬ ৰাণতে নিজৰ প্ৰথম ইনিংছ সামৰিবলগীয়া হয়। ভাৰতৰ হৈ ঋষভ পণ্টে ২০ আৰু যশস্বী জয়ছৱালে ১৩ ৰাণ কৰাৰ বিপৰীতে অধিকাংশ খেলুৱৈয়েই শোচনীয়ভাৱে ব্যৰ্থতা প্ৰদৰ্শন কৰে। বিৰাট কোহলী আৰু কে এল ৰাহুলকে ধৰি পাঁচগৰাকী বেটছমেন কোনো ৰাণ নকৰাকৈয়ে খেলপথাৰৰ পৰা উভতি আহে। নিউজিলেণ্ড দলৰ হৈ মেট হেনৰীয়ে পাঁচটা, উইলিয়াম অ' ৰুৰ্কেই চাৰিটা আৰু টিম ছাউথীয়ে এটা উইকেট দখল কৰে। এই বাতৰি যুগুতোৱাৰ পৰলৈ নিউজিলেণ্ডে এটাও উইকেট নেহেৰুৱাকৈ ১০ ৰাণ সংগ্ৰহ কৰিছে।

ooooooooo

সমাপ্ত